# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-08-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। বিটিচি নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান অব্যাহত। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কোকৰাঝাৰৰ কচুগাঁও আৰু গোসাইগাঁৱত বিজয় সংকল্প সভাত অংশগ্ৰহণ।

২। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৰোগীৰ আত্মীয়ৰ পৰা ধন দাবী কৰা ঘটনা সন্দৰ্ভত ১১ জন ঠিকাভিত্তিক কৰ্মচাৰীক গ্ৰেপ্তাৰ।

৩। গুৱাহাটীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান-আই আই এম স্থাপনৰ বাবে লোকসভাত বিধেয়ক গৃহীত।

৪। সমগ্ৰ বিশ্বৰ লগতে আজি অসমতো বিশ্ব আলোকচিত্ৰ দিৱস পালন।

আৰু

৫। এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে সূৰ্যকুমাৰ য়াদৱৰ নেতৃত্বত ১৫ জনীয়া ভাৰতীয় দলটো ঘোষণা।

০০০০০০০

বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কোকৰাঝাৰ জিলাৰ কচুগাঁও আৰু গোসাইগাঁৱত দুখনকৈ বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰে। বিটিচি পৰিষদীয় নিৰ্বাচনত জয়ৰ লক্ষ্যৰে সভা দুখনত অংশগ্ৰহণ কৰি ড০ শৰ্মাই দলীয় কাৰ্যকৰ্তাসকলৰ সৈতে মত বিনিময় কৰে। বি টি আৰ বাসীৰ অভাৱ-অভিযোগ, দিহা-পৰামৰ্শ আদি সাৰোগত কৰিবলৈয়ে এই সভা সমূহৰ আয়োজন কৰা হৈছে বুলি মন্তব্য কৰি জ্যেষ্ঠ বিজেপি নেতাগৰাকীয়ে কয়, যে বিগত সময়চোৱাত বিটিআৰৰ ৰূপান্তৰৰ যাত্ৰা সাম্প্ৰতিক সময়ত উন্নয়নৰ আটাইতকৈ ইতিবাচক যাত্ৰা।

বি টি চি নিৰ্বাচনক লৈ বি টি আৰৰ বিভিন্ন দল-সংগঠনৰ লগতে জিলা প্ৰশাসনসমূহো তৎপৰ হোৱা পৰিলক্ষিত হৈছে। তামুলপুৰ জিলা আয়ুক্তই জিলাখনত চাৰিটা সহায়ক ভোট কেন্দ্ৰ স্থাপন কৰাৰ কথা ঘোষণা কৰিছে। চেৰফাং, ডৰঙাজুলি, নাগ্ৰীজুলি আৰু গোৰেশ্বৰত এটাকৈ সহায়ক কেন্দ্ৰ স্থাপন কৰাৰ কথা জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিছে।

ইফালে,বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদৰ বিধানসভা কাৰ্যালয়ত আজি পৰিষদীয় বিধায়িনী কাৰ্যবিধি আৰু নিয়মাৱলী আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। বি টি চিৰ বিধায়িনী সভাৰ অধ্যক্ষ কাতিৰাম বড়ো, উপাধ্যক্ষ অবিৰাম মহানায়ক আৰু কাৰ্যবাহী সদস্য চাইখং বসুমতাৰীৰ উপস্থিতিত ইংৰাজী আৰু বড়ো ভাষাত এই কাৰ্যবিধি উন্মোচন কৰা হয়।

০০০০০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৰোগীৰ আত্মীয়ৰ পৰা ধন দাবী কৰা ঘটনা সন্দৰ্ভত ভঙাগড় আৰক্ষীয়ে আজি হাস্পতালখনৰ ১১ জন ঠিকাভিত্তিক কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰিছে। হাস্পতালখনৰ কালি এটি

নৱজাতকৰ মৃত্যুৰ ঘটনাৰ বুজ লববৈলে যোৱাৰ সময়ত যোৱা নিশা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক একাংশ ৰোগীৰ আত্মীয়ই হাস্পতালৰ কৰ্মচাৰীয়ে ধন দাবী কৰা বুলি অভিযোগ দাখিল কৰিছিল। মুখ্যমন্ত্ৰীয়ে লগে লগে এই বিষয়টোৰ তদন্তৰ নিৰ্দেশ দিয়ে। এই অনুসৰি আজি ভঙাগড় আৰক্ষীয়ে অভিযান চলাই ১১ জন কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰে। এই সন্দৰ্ভত উপ আৰক্ষী আয়ুক্ত মৃনাল ডেকাই আমাৰ সংবাদদাতা হেমন্ত বৰাক এনেদৰে কয় ঃ

**বাইট**

০০০০০০০

কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে কালি লোকসভাত উত্থাপন কৰা ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান সংশোধনী বিধেয়ক ২০২৫ আজি লোকসভাত গৃহীত হয়। ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান অৰ্থাৎ আই আই এম গুৱাহাটীক ৰাষ্ট্ৰীয় পৰ্যায়ত গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানসমূহৰ সূচীত অন্তৰ্ভুক্ত কৰাৰ উদ্দেশ্যে এই বিধেয়কখন উত্থাপন কৰা হৈছে।

আমাৰ পূৰ্বৰ বাতৰিতে কোৱা হৈছে যে, কেন্দ্ৰীয় মন্ত্ৰীসভাই গুৱাহাটীত আই আই এম স্থাপনৰ বাবে যোৱা ১২ আগষ্টত অনুমোদন জনায়। এই প্ৰতিষ্ঠান উত্তৰ-পূবৰ দ্বিতীয় আৰু দেশৰ ২২ সংখ্যক আই আই এম হিচাপে পৰিগণিত হ'ব। এই প্ৰতিষ্ঠান নিৰ্মাণত ৫০০ কোটি টকাৰো অধিক ধন ব্যয় কৰা হ'ব বুলি কেন্দ্ৰীয় চৰকাৰৰ সূত্ৰই প্ৰকাশ কৰিছে। এই পদক্ষেপে গুৱাহাটীক উত্তৰ-পূবৰ শিক্ষাৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০

নগাঁৱৰ দখলীকৃত ভূমিত শীঘ্ৰে উচ্ছেদ অভিযান চলিব বুলি জিলাখনত অভিভাৱক মন্ত্ৰী কৃষ্ণেন্দু পালে ঘোষণা কৰিছে। জিলাখনত ১৯ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হ'ব বুলি ইতিমধ্যে জাননী জাৰি কৰা হৈছে। আজি জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰি সংবাদমাধ্যমৰ আগত মন্ত্ৰীগৰাকীয়ে এইদৰে কয়। জিলাখনত বৰ্তমান চলি থকা বিভিন্ন উন্নয়নমূলক কাম-কাজৰ খতিয়ান লৈ পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰীগৰাকীয়ে খিলঞ্জীয়াৰ ভূমিৰ অধিকাৰ ৰক্ষা কৰিববৈলে ৰাজ্য চৰকাৰ সদায় তৎপৰ বুলি অভিহিত কৰে।

০০০০০০০

গুৱাহাটীৰ খানাপাৰাৰ ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানত আজি ৰাজ্যখনৰ ২৭খন জিলা পৰিষদৰ নৱ নিৰ্বাচিত সভাপতি আৰু সভানেত্ৰীসকলৰ ৫ দিনীয়া প্ৰশিক্ষণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত দাসে এই প্ৰশিক্ষণৰ শুভাৰম্ভ কৰি নৱ নিৰ্বাচিত সভাপতি তথা সভানেত্ৰীসকলক সততা, দায়বদ্ধতা আৰু নিষ্ঠা বজাই ৰাখি গ্ৰামাঞ্চলৰ ৰাইজৰ বাবে সেৱা আগবঢ়াববৈলে আহ্বান জনায়। ইয়াৰ লগতে পঞ্চায়ত এলেকাত বিভাগীয় আঁচনিসমূহৰ ৰূপায়ন প্ৰক্ৰিয়া আৰু এই ক্ষেত্ৰত থকা নিয়মাৱলীসমূহ খৰচি মাৰি বুজি ল'ববৈলে তেওঁ সকলোকে আহ্বান জনায়। উল্লেখযোগ্য যে, ২৩ আগষ্টলৈ চলিবলগীয়া এই প্ৰশিক্ষণকালত নৱ নিৰ্বাচিত সভাপতি আৰু সভানেত্ৰীসকলক তেওঁলোকৰ পদবীৰ দায়িত্ব আৰু বিধি ব্যৱস্থাৰ সম্পৰ্কে প্ৰশিক্ষণ প্ৰদান কৰা হ'ব।

০০০০০০০

বিশ্ব আলোকচিত্ৰ দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাৰ্যসূচী অনুষ্ঠিত হয়। ১৮৩৭ চনত ফ্ৰান্সৰ আলোকচিত্ৰ শিল্পী লুই ডাগেৰে বিকশিত কৰা ডাগে'ৰ' টাইপ ফটোগ্ৰাফী উদ্ভাৱনৰ স্মৃতিত প্ৰতিবছৰে আজিৰ দিনটো আলোকচিত্ৰ দিৱস হিচাপে উদযাপন কৰা হয়। এই দিৱসৰ লক্ষ্য হৈছে প্ৰকাশ আৰু সৃষ্টিশীলতাৰ মাধ্যম হিচাপে ফটোগ্ৰাফীক উদযাপন কৰা। অসম চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস আৰু সংস্কৃতি বিভাগৰ উদ্যোগত এই উপলক্ষে অসম ৰাজ্যিক সংগ্ৰাহলয়ত সাদিনীয়াকৈ অনুষ্ঠিত প্ৰদৰ্শনী আজি উদ্বোধন কৰা হয়। অহা ২৫ ছেপ্তেম্বৰলৈ এই প্ৰদৰ্শনী মুকলি থাকিব। এই প্ৰদৰ্শনীখনত চাৰিগৰাকী আলোকচিত্ৰ শিল্পীৰ আলোকচিত্ৰ প্ৰদৰ্শন কৰা হৈছে। বিভাগীয় মন্ত্ৰী যোগেন মহনে উদ্বোধন কৰা এই প্ৰদৰ্শনী প্ৰত্যক্ষ কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে এইদৰে মনৰ ভাৱ প্ৰকাশ কৰে।

-ভইচ কাষ্ট-

আজি শিলচৰত এই দিৱসৰ সৈতে সংগতি ৰাখি গুৰুচৰণ বিশ্ববিদ্যালয়ৰ গণসংযোগ বিভাগৰ উদ্যোগত এখন কৰ্মশালাৰ আয়োজন কৰা হয়। কৰ্মশালাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে ফটোগ্ৰাফীৰ বিভিন্ন দিশ, কাৰিকৰী কৌশল আৰু সৃষ্টিশীলতাৰ প্ৰয়োগ সম্পৰ্কে ব্যৱহাৰিক শিক্ষা লাভ কৰে। এই কৰ্মশালাত বৰাক উপত্যকাৰ বিশিষ্ট চিত্ৰশিল্পী পাৰ্থ শীলে প্ৰশিক্ষণ প্ৰদান কৰে।

দৰং জিলাৰ মঙলদৈত আজি বিশ্ব আলোকচিত্ৰ দিৱসৰ সৈতে সংগতি ৰাখি জিলা সংগ্ৰাহলয়ত ১২লাখ ৫৭হাজাৰ টকাৰে পুনৰ নিৰ্মাণ কৰা এটা বিথিকা উদ্বোধন কৰা হয়। ৰাজ্য চৰকাৰৰ খিলঞ্জীয়া, জনজাতীয় বিশ্বাস আৰু সংস্কৃতি মন্ত্ৰী যোগেন মহনে বিথিকা উদ্বোধন কৰে। জিলা সংগ্ৰাহলয়ক পূৰ্ণাংগ ৰূপ দিয়াৰ পদক্ষেপ অংশহিচাপে এই বিথিকা মুকলি কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ গণসংযোগ আৰু সাংবাদিকতা অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত আজি এই দিৱস উদযাপন কৰা হয়। এই অনুষ্ঠানত বিশিষ্ট আলোকচিত্ৰ শিল্পী বাবলি ৰায় ভূঞাই **সেউজ ফ্ৰেম, ফটোগ্ৰাফী প্ৰকৃতি আৰু বহনক্ষমতা** বিষয়ক কৰ্মশালাত শিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়ে। দিৱসৰ সৈতে সংগতি ৰাখি আয়োজিত প্ৰদৰ্শনীত কেইগৰাকীও আলোকচিত্ৰ শিল্পীৰ সৃষ্টিশীল আলোকচিত্ৰ প্ৰদৰ্শন কৰা হয়।

অসম ফটো সাংবাদিক সন্থাৰ উদ্যোগত আজি গুৱাহাটী প্ৰেছ ক্লাবত বিশ্ব আলোকচিত্ৰ দিৱস পালন কৰা হয়। এই উপলক্ষে আয়োজিত অনুষ্ঠানত বিশিষ্ট সাহিত্যিক অৰূপা পটংগীয়া কলিতাই ফটো সাংবাদিকতাৰ ইতিহাসৰ ওপৰত আলোকপাত কৰে। এই অনুষ্ঠানত তেজপুৰৰ ফটো সাংবাদিক সমীৰ কৰক সম্বৰ্ধনা জনোৱা হয়। এই অনুষ্ঠানত কেইবাগৰাকীও জ্যেষ্ঠ সাংবাদিকে অংশগ্ৰহণ কৰে।

০০০০০০০

ৰাজ্যত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত একাংশ প্ৰাৰ্থীয়ে ভূৱা প্ৰমাণ পত্ৰ দাখিল কৰি চাকৰি লাভ কৰাৰ চেষ্টা চলোৱাৰ অভিযোগ সন্দৰ্ভত আজি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ এটা দলে নগাঁৱত তদন্ত কৰে। নগাওঁ সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত উপস্থিত হৈ তদন্তকাৰী দলটোৱে স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকৰ পদৰ বাবে আবেদন কৰা একাংশ প্ৰাৰ্থীয়ে জমা দিয়া নথি পত্ৰ পৰীক্ষা কৰে। উল্লেখযোগ্য যে একাংশ প্ৰাৰ্থীয়ে মধ্য প্ৰদেশৰ এখন বিশ্ববিদ্যালয়ৰ পৰা ভূৱা প্ৰমাণপত্ৰ দাখিল কৰাৰ অভিযোগ উঠিছিল। অসমৰ ৫ খন জিলাৰ ৩১ গৰাকী প্ৰাৰ্থীৰ বিৰুদ্ধে এই অভিযোগ উত্থাপিত হোৱাৰ পিছত ৰাজ্য চৰকাৰে অসম

আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাক ইয়াৰ তদন্তৰ দায়িত্ব অৰ্পন কৰিছিল। তদন্তকাৰী দলটোৱে নগাওঁৰ উপৰি শোণিতপুৰ, হোজাই আৰু বিশ্বনাথ জিলাত এনে ধৰণৰ অনিয়ম সংঘটিত হোৱা বুলি সন্দেহ কৰিছে।

০০০০০০০

আকাশবাণী গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত বাতৰি সঞ্চালক বিৰাজ দাসে আজি ৮৯ বছৰ সম্পূৰ্ণ কৰিছে। অনাতাঁৰ বাতৰিক অতি উচ্চ মানলৈ নিবলৈ সমৰ্থ হোৱা এইগৰাকী ব্যক্তিয়ে অৱসৰৰ পাছতো আকাশবাণী গুৱাহাটী আৰু গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বাতৰি বিভাগত দীৰ্ঘদিন ধৰি সেৱা আগবঢ়াইছিল আৰু এতিয়াৰ প্ৰজন্মই বাতৰি সম্পাদক আৰু বাতৰি পঢ়োঁতাসকলে বিৰাজ দাসৰ পৰা সাংবাদিকতাৰ বহু খুটি-নাটি আহৰণ কৰিবলৈ সমৰ্থ হৈছিল।  আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ নেতৃত্বত বিভাগৰ এটা প্ৰতিনিধি দলে আজি বিৰাজ দাসৰ ঘৰলৈ গৈ তেওঁক জন্মদিনৰ শুভেচ্ছা জনায়। বৰ্ষীয়ান সাংবাদিকগৰাকীয়ে আজি জন্মদিনৰ কেক কাটি অভ্যাগতসকলৰ সৈতে শুভেচ্ছা বিনিময় কৰে। বাতৰি বিভাগৰ দলটোত আছিল বাতৰি পৰিবেশক অৰূপ কুমাৰ শৰ্মা, অৰুণিমা গোস্বামী, উৎপল কুমাৰ দাস, নিৰূপমা বৰঠাকুৰ, পুলক গগৈ আৰু জিণ্টিৰাণী ডেকা।  আকাশবাণীৰ প্ৰাক্তন বাতৰি পৰিবেশিকা তথা বৰ্তমান মৰিগাওঁ জিলাৰ জনসংযোগ বিষয়া পম্পী দেৱীয়েও আজি বিৰাজ দাসক জন্মদিনৰ শুভেচ্ছা জনায়।

০০০০০০০

তামুলপুৰ জিলাত শ্ৰীমন্ত শংকৰদেৱ ৰাজহুৱা প্ৰেক্ষাগৃহত আজি বিটিচিৰ নৱ নিযুক্ত বন বিষয়া আৰু বনকৰ্মীসকলক নিযুক্তিপত্ৰ প্ৰদান কৰা হয়। বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে  ৮৪ গৰাকী বন বিষয়া আৰু ৩৩০ গৰাকী বনকৰ্মীক আনুষ্ঠানিকভাৱে নিযুক্তিপত্ৰ প্ৰদান কৰে। অনুষ্ঠানত তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী, বন বিভাগৰ মুখ্য বন সংৰক্ষক সুমন মহাপাত্ৰ, বন  বিভাগৰ সঞ্চালক শ্ৰীৰমেশৰ লগতে কেইবাগৰাকীও বন বিষয়া উপস্থিত থাকে। নিযুক্তি পত্ৰ বিতৰণ কৰি শ্ৰীবড়োৱে সকলোকে নিষ্ঠা সহকাৰে কাম কৰি বিটিআৰৰ জীৱ জন্তুৰ লগতে বন সংৰক্ষণ কৰিবলৈ আহ্বান জনায়। নিযুক্তি পত্ৰ বিতৰণ কৰি বিটিচি মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে আমাৰ সংবাদদাতাক এইদৰে কয়ঃ

বাইট

০০০০০০০

বিশিষ্ট বিষ নিৰাময় বিশেষজ্ঞ তথা গুৱাহাটীৰ এখন আগশাৰীৰ ব্যক্তিগত চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসক ডাঃ ভৰেন চন্দ্ৰ বড়োৱে  আজি আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ সভাকক্ষত অস্ত্ৰোপচাৰবিহীন  বিষ নিৰাময় সম্পৰ্কত ব্যাখ্যা আগবঢ়ায়। তেওঁ কয়, যে অত্যাধুনিক ৰেডিঅ' ইণ্টাৰভেনছন পদ্ধতিৰ জৰিয়তে বৰ্তমান মানৱ শৰীৰত বিষৰ উৎসৰ সন্ধান কৰি ইয়াৰ চিকিৎসা কৰা হয়। আকাশবাণী গুৱাহাটীৰ বিষয়া কৰ্মচাৰীসকলে বিষ সম্পৰ্কত কৰা ভালেমান প্ৰশ্নৰো চিকিৎসকগৰাকীয়ে সদুত্তৰ দিয়ে। তেওঁ ৰাজহাড়ৰ বিষ সম্পৰ্কত থকা ভালেমান ভুল ধাৰণা সম্পৰ্কতো বৈজ্ঞানিক ব্যাখ্যা আগবঢ়ায়।

০০০০০০০

অহা ৯ ছেপ্তেম্বৰৰ পৰা সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰত হ'বলগীয়া এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ১৫ জনীয়া ভাৰতীয় দলটো আজি ঘোষণা কৰা হৈছে। সূৰ্য কুমাৰ য়াদৱৰ নেতৃত্বৰ ভাৰতীয় দলটোত ভাৰতৰ টেষ্ট অধিনায়ক শুভমন গীল উপ অধিনায়কৰূপে থাকিব। ভাৰতীয় ক্ৰিকেট দলৰ মুখ্য নিৰ্বাচক অজিত

আগৰকাৰ আৰু ভাৰতীয় টি টুৱেণ্টি দলৰ অধিনায়ক সূৰ্য্য কুমাৰ য়াদৱে আজি মুম্বাইত দলটোৰ সদস্যসকলৰ নাম ঘোষণা কৰে। দলটোৰ বাকী সদস্যসকল হৈছে- অভিষেক শৰ্মা, হাৰ্দিক পাণ্ডিয়া, অক্ষৰ পেটেল, যশপ্ৰীত বুমৰা, জীতেশ শৰ্মা, শিভম ডুবে, অৰ্শদীপ সিং, সঞ্জু চেমচন, হৰ্ষিত ৰাণা, তিলক বাৰ্মা, ৰিংকু সিং, বৰুণ চক্ৰৱৰ্তী আৰু কু লদীপ য়াদৱ। উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ গ্ৰুপ এত ভাৰতক পাকিস্তান, ওমান আৰু সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰৰ সৈতে ৰখা হৈছে।

০০০০০০০

তিনিচুকীয়া গুইজান নিবাসী সাংবাদিক উত্তম দেৱৰ আজি মৃত্যু হয়। কেইবাটাও ব্যক্তিগত সংবাদ প্ৰতিষ্ঠানত স্থানীয় সংবাদদাতা হিচাপে কৰ্মৰত প্ৰয়াত দেৱ যোৱা ফেব্ৰুৱাৰীৰ মাহৰ পৰা কৰ্কট ৰোগত আক্ৰান্ত হৈ আছিল। অঞ্চলটোৰ একমাত্ৰ সাংবাদিক হোৱাৰ লগতে গুইজান সমবায় সমিতিৰ হিচাপ পৰীক্ষক হিচাপে কৰ্মৰত সৰবৰহী ব্যক্তিজনৰ মৃত্যুৰ সময়ত বয়স আছিল ৫৫বছৰ। তেওঁৰ মৃত্যুত চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা, জাৰ্নেলিষ্ট ইউনিয়ন আছামৰ উপ-সভাপতি ৰূপম কাকতিকে ধৰি ভালে কেইজন বিশিষ্টকে শোক প্ৰকাশ কৰিছে।

০০০০০০০

সমাপ্ত